াণী

াকৰ
কে
ভাল।
ৰত মহম্মদ

# অসম আদিত্য

০২ ■ ৪ ব'হাগ, ১৯৪৭ শক ■ শুকুৰবাৰ, ১৮ এপ্ৰিল, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, April 18, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি


বিশ্ববিদ্যালয় অনুদান আয়োগৰ ঘোষণাৰ পিছতে ডিব্ৰুগড়ত আনন্দৰ লহৰ

## কানৈ মহাবিদ্যালয়ক স্বতন্ত্ৰ মৰ্যাদা প্ৰদান ইউজিচিৰ



**ষ্টাফ ৰিপৰ্টাৰ, ১৭ এপ্ৰিল ঃ** অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ উৎসৱমুখৰ পৰিৱেশৰ মাজতে অসমলৈ আহিল এটা ভাল খবৰ। ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ক বিশ্ববিদ্যালয় অনুদান আয়োগে আজি স্বতন্ত্ৰ (অট'নমাছ) মহাবিদ্যালয় হিচাপে স্বীকৃতি দিয়ে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ চিঠিৰ নম্বৰ এফ ৬ পৃষ্ঠাত

## মালয়েছিয়াৰ কুৱালালামপুৰলৈ বৈদেশিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা



**নতুন দিল্লী, ১৭ এপ্ৰিল ঃ** আছিয়ান-ভাৰত পৰ্যটন পেছাদাৰী বিনিময় কাৰ্যসূচীৰ অংশ হিচাপে ১৮-১৯ এপ্ৰিলত ৬ পৃষ্ঠাত

## হিমন্ত ... অধিক ... মুখ্যমন্ত্ৰী ঃ

**বিশেষ প্ৰতিবেদক, বোকাখাত,** মুখ্যমন্ত্ৰীগৰাকী অধিক দক্ষ অ আজি বোকাখাতত এইদৰে চৰকাৰৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী বোকাখাতৰ টেস্ক' ৰিজৰ্টত মন্ত্ৰী

